# ECHO OF HIS CALL

ECHO OF HIS CALL
REACHING NATIONS
SINCE 1969
1969 TO 2029

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ASSAMESE

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXVI  YEAR OF OUR LORD JESUS CHRIST, 2025 OCTOBER  No. 04


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক
প্ৰভূৰ প্ৰশংসা হওঁক!

### গীতমালা ২৯:১-৯

১। হে ঈশ্বৰৰ সন্তানবিলাক, যিহোৱাৰ উদ্দেশ্যে কীৰ্ত্তন কৰা, যিহোৱাৰ উদ্দেশ্যে গৌৰৱ আৰু পৰাক্ৰম কীৰ্ত্তন কৰা,

২। যিহোৱাৰ উদ্দেশ্যে তেওঁৰ নামৰ যোগ্য গৌৰৱ কীৰ্ত্তন কৰা; পবিত্ৰ বস্ত্ৰৰ শোভাৰে যিহোৱাৰ আগত প্ৰণিপাত কৰা।

৩। যিহোৱাৰ স্বৰ জলসমূহ ওপৰত আছে; গৌৰৱান্বিত ঈশ্বৰে বজ্ৰনাদ কৰিছে, এনে কি, যিহোৱাই মহাজলসমূহৰ ওপৰত বজ্ৰনাদ কৰিছে।

৪। যিহোৱাৰ স্বৰ শক্তিযুক্ত; যিহোৱাৰ স্বৰ গৌৰৱেৰে পৰিপূৰ্ণ।

৫। যিহোৱাৰ স্বৰে এৰচ গছবোৰ ডোখৰ ডোখৰ কৰিছে; যিহোৱাই লিবানোনৰ এৰচ গছবোৰ ডোখৰ ডোখৰকৈ ভাঙি পেলাইছে।

৬। তেওঁ সেইবোৰক দামুৰি পোৱালিৰ দৰে ডেও দিয়াইছে, তেওঁ লিবানোন আৰু চিৰিয়োনক ডেকা মেঠনৰ নিচিনাকৈ জঁপিওৱাইছে।

৭। যিহোৱাৰ স্বৰে বিজুলীৰ ডাল মেলাইছে।

৮। যিহোৱাৰ স্বৰে অৰণ্যক কঁপাইছে; যিহোৱাৰ স্বৰে কাদেচৰ অৰণ্যক কঁপাইছে।

৯। যিহোৱাৰ স্বৰে হৰিণীৰ পোৱালি জগোৱাইছে, আৰু জাৱণিক লঠা কৰিছে; আৰু তেওঁৰ মন্দিৰত সকলোৱে গৌৰৱ গৌৰৱ বুলি কৈছে।

## আপোনাৰ আশীৰ্বাদপূৰ্ণ ভৱিষ্যতৰ সাতটা ৰহস্য!!



**SEVEN SECRETS of your blessed future!!**

— ভনী, এঞ্জেল

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ নামত শুভেচ্ছা জনাইছো।



প্ৰতিমাহে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনীৰ জৰিয়তে আপোনালোকক লগ পাই মই অতি আনন্দিত হওঁ। ঈশ্বৰৰ অনুগ্ৰহত আপুনি ভাল কৰি আছে বুলি বিশ্বাস আৰু আশা কৰিছো। আমাৰ মাজৰ কিছুমানে হয়তো বৰ্তমানে আমাৰ শ্ৰেষ্ঠতম অনুভৱ নকৰিবও পাৰে, কিন্তু আপুনি এই আলোচনীখন পঢ়িবলৈ তুলি লোৱাটোৱেই বিশ্বাসৰ এক খোজ। মনত ৰাখিব ঈশ্বৰে এতিয়াও নিয়ন্ত্ৰণত ৰাখিছে। যেতিয়ালৈকে তেওঁ শেষ হোৱা বুলি নকয় তেতিয়ালৈকে শেষ নহয়।

যোৱা কেইসপ্তাহমানৰ পৰা "নিজকে ৰক্ষা কৰা বাক্যাংশটো মোৰ হৃদয়ত অনবৰতে আছে। মই অধ্যয়ন কৰিবলৈ আৰু চিন্তা কৰিবলৈ আৰম্ভ কৰিলো আৰু সেই চিন্তাবোৰৰ কিছুমান আপোনালোকৰ লগত ভগাই ল'ব বিচাৰিছো।

বাইবেলে আমাক নিজকে ৰক্ষা কৰিবলৈ শিকাইছে। পহৰা দিয়াৰ অৰ্থ হ'ল সুৰক্ষা দিয়া, সজাগ হোৱা, সৰ্তক হোৱা আৰু আমাৰ চাৰিওফালে ঘটি থকা কথাবোৰৰ প্ৰতি সচেতন হোৱা। আমি পহৰা দিবলগীয়া কেইটামান গুৰুত্বপূৰ্ণ ক্ষেত্ৰ চাওঁ আহক।

৩ পৃষ্ঠাত চাওঁক




ইখ অফ হীজ কল ৫ মিনিট বাৰ্তা

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

ইংৰাজী, হিন্দী, তামিল আৰু তেলেগু
প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

ECHO OF HIS CALL
REACHING NATIONS
SINCE 1969

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি - (Marching towards 60th year)

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...





### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


HON. EDITOR-IN-CHIEF
Rev. Dr. Angeline S. Kumari, M.A., M.Sc., M.Ed.
EX MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
GENERAL MANAGER
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM, MBA.
ADMINISTRATION
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)
EDITORIAL BOARD
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Rev. Dr. K.R. Rajasekaran
Rev. Dr. William Robert, Ph.D., DD, D.Lit.



EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858
95661 31858
E.MAIL
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.org
YOUTUBE CHANNEL
Echo of His Call


*...কিয়নো মই পুনৰায় তেওঁৰ স্তুতি কৰিবলৈ পাম; তেওঁ মোৰ সহায় আৰু মোৰ ঈশ্বৰ – গীতমালা ৪২:১১*

প্ৰভুত থকা প্ৰিয় বন্ধুসকল,

আমাৰ ত্ৰাণকৰ্তা আৰু প্ৰভু যীচুৰ বহুমূলীয়া নামেৰে আপোনালোকক শুভেচ্ছা জনাইছোঁ!

এইটো সঁচা যে ঈশ্বৰে আমাক প্ৰায়ে আমাৰ চৰিত্ৰক পৰিশোধন কৰিবলৈ আৰু তেওঁৰ ওচৰলৈ আনিবলৈ কঠিন পৰিস্থিতিৰ মাজেৰে খোজ কাঢ়িবলৈ দিয়ে। গীতমালা ৪২ পদত আমি দায়ূদে এনে এটা ঋতুৰ মাজেৰে পাৰ হোৱা দেখিবলৈ পাওঁ। তেওঁ পাহাৰৰ পৰা উপত্যকালৈ, মৰুভূমিৰ পৰা নদীৰ পাৰলৈকে বিচৰণ কৰিছিল, হৃদয়খন বোজাই কৰি শান্তিৰ বাবে মল্লযুঁজ কৰা আত্মাই। তথাপিও এই সকলোবোৰৰ মাজতে তেওঁ নিজৰ আত্মাক ঈশ্বৰৰ ওপৰত অধিক গভীৰভাৱে বিশ্বাস কৰিবলৈ উপদেশ দিছিল।

গভীৰ বিশ্বাস থকাৰ অৰ্থ হ'ল যন্ত্ৰণাত ঈশ্বৰৰ প্ৰশংসা কৰা, বিশৃংখলতাত বিশ্বাস কৰা, সংগ্ৰামৰ মাজত তেওঁক আনন্দ কৰা আৰু আন্ধাৰ ৰাতিও তেওঁৰ সত্যত আকোঁৱালি লোৱা। এইটো মোৰ ব্যক্তিগত অভিজ্ঞতাও হৈ আহিছে আৰু মই বিশ্বাস কৰোঁ যে প্ৰভুৱে ইয়াৰ জৰিয়তে আপোনাৰ সেৱা কৰিব।

আশা যদি মূল তেন্তে প্ৰশংসাই ফল। প্ৰশংসা আৰু উপাসনাই আমাৰ বিশ্বাসৰ শিপা গভীৰ কৰি তোলে। গতিকে যদি আপুনি হতাশাৰ সন্মুখীন হৈছে, তেন্তে হৃদয় হেৰুৱাব নালাগে - আশা এৰি নিদিব! ধৈৰ্য্য ধৰক!! সাহসী হওক!!! **ঈশ্বৰৰ ওপৰত আস্থা ৰাখক।** আপুনি হয়তো সুধিব পাৰে, "কিন্তু মই কেনেকৈ ঈশ্বৰৰ ওপৰত আশা কৰিম?" মোৰ উত্তৰ সহজ ঃ দায়ূদে যি কৰিলে, সেই কাম কৰক।

"কিয়নো মই এতিয়াও তেওঁৰ প্ৰশংসা কৰিম।" বোগত তেওঁৰ প্ৰশংসা কৰক। কৃতজ্ঞতাৰে তেওঁক প্ৰশংসা কৰক, আনকি যেতিয়া আপুনি আৰ্থিক বোজাৰ সন্মুখীন হ'বলগীয়া হয়। তেওঁ আপোনাক লজ্জিত হ'বলৈ নিদিয়ে। সকলো ঠিকে থাকিলে আৰাধনা কৰাটো সহজ - সেয়া হ'ল কৃতজ্ঞতা। কিন্তু যেতিয়া সকলো আমাৰ বিৰুদ্ধে যেন লাগে তেতিয়া ঈশ্বৰক আৰাধনা কৰাটো অটল আশাৰ চিন। এনে বিশ্বাসত ঈশ্বৰ আনন্দিত হয়।

এই কথা দায়ূদৰ জীৱনত সত্য আছিল। ঈশ্বৰে তেওঁৰ শত্ৰুবোৰক পৰাস্ত কৰিলে আৰু তেওঁ হেৰুৱাই পেলোৱা সকলো বস্তু পুনৰ ঘূৰাই দিলে। ইয়োবৰ ক্ষেত্ৰতো একেই হৈছিল। যদিও ইয়োবে সকলো হেৰুৱালে, শেষত ঈশ্বৰে তেওঁক দুগুণ অংশ দি আশীৰ্বাদ দিলে। শাস্ত্ৰই কৈছে... **কাৰণ ঈশ্বৰে ইয়োবক গ্ৰহণ কৰিছিল।** (ইয়োব ৪২:৯)। তামিল ভাষাত বাইবেল অনুবাদত লিখা আছে, **প্ৰভু ঈশ্বৰে ইয়োবৰ মুখলৈ চালে!** কি যে ধন্য অভিজ্ঞতা! একেদৰে ঈশ্বৰেও আপোনাৰ যত্ন ল'ব। তেওঁৰ ওপৰত আপোনাৰ আশা ৰাখক, তেতিয়া আপুনি তেওঁৰ মঙ্গল দেখিব।

ঈশ্বৰে আমাৰ সেৱাক প্ৰচুৰ পৰিমাণে আশীৰ্বাদ দিছে। সঁচাকৈয়ে, **মোৰ যিহোৱা ৰক্ষক; মোৰ অভাৱ নহ'ব।** (গীতমালা ২৩:১)। মই বিশ্বাস কৰোঁ যে এই মাহত প্ৰভুৱে আপোনাক আৰু মোক এনে অনুগ্ৰহেৰে অভিষেক কৰিব যে আমি আত্মবিশ্বাসেৰে ঘোষণা কৰিব পাৰিম যে মই অভাৱ থকাসকলৰ মাজত নাথাকো।

অনুগ্ৰহ কৰি তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ সেৱাসমূহৰ বাবে আন্তৰিকতাৰে প্ৰাৰ্থনা কৰি যাওক আৰু প্ৰভুৱে আপোনাক সক্ষম কৰাৰ দৰে আপোনাৰ সহায় আৰু সহযোগিতাৰে আমাক সদয়ভাৱে সমৰ্থন কৰক।

প্ৰভুৱে আপোনাক প্ৰচুৰ আশীৰ্বাদ কৰক!

আপোনাৰ দাস খ্ৰীষ্ট যীচুত

পালক এছ চাম চেলভা ৰাজ ইমেইল ঃ sam@echoofhiscall.org


Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) YouTube Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

১ম পৃষ্ঠাৰ পৰা

## ১। আপোনাৰ হৃদয়ক ৰক্ষা কৰক !

**ৰক্ষা কৰিবলগীয়া সকলো বস্তুৰ মাজত, সকলোতকৈ তোমাৰ হৃদয়ক অধিক যত্নেৰে ৰক্ষা কৰা, কিয়নো তাৰে পৰাহি জীৱন উৎপন্ন হয়।** (হিতোপদেশ ৪:২৩)।

হৃদয়ৰ বাবে ইব্ৰী শব্দটো হৈছে "লেব, যিয়ে আমাৰ আৱেগ, চিন্তা আৰু অনুভৱক বুজায়। ই হৈছে সেই ঠাই য'ৰ পৰা আমি চিন্তা কৰোঁ, যুক্তি দিওঁ আৰু সিদ্ধান্ত লওঁ। সেইবাবেই বাইবেলে হৃদয়ক পহৰা দিবলৈ গুৰুত্ব আৰোপ কৰিছে কাৰণ আমাৰ হৃদয়ৰ অৱস্থাই আমাৰ সমগ্ৰ জীৱনৰ দিশ গঢ় দিয়ে।

আমাৰ হৃদয়ে বৰ্ণনা কৰে আমি কোন। ই আমাৰ সভাৰ আটাইতকৈ জটিল অংগটো বুজিবলৈ কঠিন আৰু প্ৰায়ে আমাৰ নিজৰ নিয়ন্ত্ৰণৰ বাহিৰত। এই কাৰণে দায়ুদে প্ৰাৰ্থনা কৰিছিল, "হে ঈশ্বৰ, মোক বিচাৰি উলিয়াওক" কাৰণ হৃদয় জটিল, প্ৰতাৰণামূলক আৰু অনিৰ্ণয়ী হ'ব পাৰে। কেৱল সৃষ্টিকৰ্তাইহে ইয়াক সঁচা অৰ্থত অনুসন্ধান কৰিব পাৰে ইয়াত লুকাই থকা দুষ্টতাক উদঙাই দিব পাৰে আৰু ইয়াক শুচি কৰিব পাৰে।

ঈশ্বৰে কেৱল আমাৰ হৃদয়ৰ পাপবোৰক নহয়, ইয়াৰ দ্বাৰা কঢ়িয়াই অনা যন্ত্ৰণা আৰু দাগবোৰো দেখা পায়। গীতমালাৰ ৰচকে ঘোষণা কৰাৰ ধৰণে ঃ **হে যিহোৱা, মোক পৰীক্ষা কৰি চোৱা, মোৰ মন আৰু চিত্ত খপি চোৱা** (গীতমালা ২৬:২)। আমাৰ বাবে যিটো সঠিক আৰু বিশুদ্ধ যেন লাগে, সেয়ে ঈশ্বৰৰ দৃষ্টিত সম্পূৰ্ণ বেলেগ যেন লাগিব পাৰে, কাৰণ "যিহোৱাই আত্মাক ওজন কৰে।"

শাস্ত্ৰই আমাক সোঁৱৰাই দিয়ে ঃ **মই যিহোৱাই প্ৰতিজন মানুহক তেওঁৰ নিজ নিজ আচাৰ-ব্যৱহাৰ অনুসাৰে, তেওঁৰ কাৰ্য্যৰ ফল অনুসাৰে প্ৰতিফল দিবলৈ মনৰ বিচাৰ আৰু কৰ্ম পৰীক্ষা কৰো** — যিৰিমিয়া ১৭:১০। এই কাৰণেই আমাৰ হৃদয়ত কি প্ৰভাৱ পৰে সেই বিষয়ে আমি সাৱধান হ'ব লাগিব।

বাইবেল আমাৰ সকলোতকৈ ওপৰত **আপোনাৰ হৃদয়ক ৰক্ষা কৰিবলৈ আহ্বান জনাইছে কিয়নো ই আপোনাৰ জীৱনৰ গতিপথ নিৰ্ধাৰণ কৰে** হিতোপদেশ ৪:২৩। একেদৰে, হিতোপদেশ ২৩:৭ পদত শিকাইছে, **মানুহে নিজৰ হৃদয়ত যেনেকৈ চিন্তা কৰে তাৰ প্ৰকৃতিও তেনেকৈ হয়।**

ঈশ্বৰৰ প্ৰিয় সন্তানসকল, ছচিয়েল মিডিয়াৰ জৰিয়তে আপোনাৰ হৃদয়ত কি প্ৰৱেশ কৰে, আপুনি পঢ়া কিতাপ, আপুনি চোৱা চিনেমা বা বন্ধু-বান্ধৱীৰ সৈতে হোৱা কথা-বতৰাৰ বিষয়ে সাৱধান হওঁক। প্ৰতিটো প্ৰভাৱেই গুৰুত্বপূৰ্ণ, কাৰণ আপোনাৰ হৃদয়ে শেষত আপোনাৰ জীৱনৰ দিশ গঢ় দিয়ে।

## ২) আপোনাৰ মুখখন ৰক্ষা কৰক!

আপোনাৰ মুখখন বুলি কওঁতে আপোনাৰ জিভাও অন্তৰ্ভুক্ত হৈ আছে আৰু ই এক শক্তিশালী অস্ত্ৰ।

**...জিভাও অতি ক্ষুদ্ৰ অঙ্গ কিন্তু মহাদৰ্পৰ কথা কয়। চোৱা, কিমান অলপ জুয়ে কিমান ডাঙৰ হাবি পোৰে... অগ্নিস্বৰূপ; আমাৰ অঙ্গ-প্ৰত্যঙ্গবোৰৰ মাজত জিভা অধৰ্মময় জগতস্বৰূপ সেয়ে গোটেই শৰীৰক কলঙ্কিত কৰে আৰু নিজেও নৰকৰ অগ্নিৰে প্ৰজ্বলিত হয়।** (যাকোব ৩:৫,৬)

আমাৰ মুখৰ পৰা যি ওলায় সেয়ে মানুহক গঢ়িব পাৰে নতুবা ভাঙি পেলাব পাৰে। সেইবাবেই আমাৰ কথাৰ শক্তি বুজাটো অতি গুৰুত্বপূৰ্ণ।

বহুত সময়ত আমি খঙত কথা কওঁ আৰু তাৰ পাছত "মই জানি বুজি কোৱা নাছিলো" বুলি অজুহাত দেখুৱাওঁ। বহু সময়ত আমি আটাইতকৈ ভালপোৱা মানুহবিলাকক সাধাৰণ ভাৱে লৈ আমাৰ খং, হতাশা আৰু নিৰাশাক তেওঁলোকৰ ওপৰত প্ৰকাশ কৰো।

দুখৰ বিষয় যে এই কথা প্ৰায়ে কঠোৰ আৰু আঘাতজনক শব্দ হিচাপে ওলাই আহে।

কাজিয়া লাগিব নিবিচৰা লোকসকললৈ আমি কিমানবাৰ আমাৰ খং ভুলকৈ নিৰ্দেশিত কৰিছো?

**বাইবেলে আমাক সৰ্তক কৰি দিছে ঃ**

**যিজনে নিজৰ মুখ আৰু জিভা চম্ভালি ৰাখে তেওঁ বিপদৰ পৰা নিজ প্ৰাণ ৰক্ষা কৰে।** হিতোপদেশ ২১:২৩। গীতমালাৰ ৰচকজনেও এটা সুন্দৰ প্ৰাৰ্থনা কৰিছে। হে যিহোৱা, **মোৰ মুখৰ আগত পৰীয়া থোৱা মোৰ ওঁঠৰ দুৱাৰ ৰাখা,"** — (গীতমালা ১৪১:৩)।

এইটো আমাৰো প্ৰাৰ্থনা হওক। আমাৰ মুখৰ পৰা ওলোৱা প্ৰতিটো শব্দৰ প্ৰতি সচেতন হওঁ আহক।

## ৩) আপোনাৰ খোজবোৰক ৰক্ষা কৰক!

**... তোমাৰ ভৰি সাৱধানে ৰাখিবা...** (উপদেশক ৫:১)।

আমি লোৱা প্ৰতিটো খোজে আমাৰ ভাগ্যাক গঢ় দিয়ে, গতিকে ভৰি দুখন ক'ত ৰাখো আৰু কোন দিশে গৈ আছো সেই বিষয়ে ভালদৰে মন দি সাৱধানে খোজ কঢ়াটো অতি প্ৰয়োজনীয়।

আমি ক'লৈ যাওঁ আৰু কি উদ্দেশ্যৰে যাওঁ সেই বিষয়ে সজাগ হৈ থকাটো গুৰুত্বপূৰ্ণ। বহু সময়ত আমি নিজৰ শক্তি আৰু দুৰ্বলতাক সহজভাৱে লওঁ, এই কথা উপলব্ধি নকৰো যে মাত্ৰ এটা ভুল পদক্ষেপে আমাক ঈশ্বৰৰ ঠাইৰ পৰা বহু দূৰৈলৈ লৈ যাব পাৰে। কেতিয়াবা আনকি ঘূৰি আহিবলৈ বছৰ বছৰ লাগিব পাৰে, যাৰ ফলত আমাৰ বহুমূলীয়া সময় খৰচ হয় আৰু ঈশ্বৰৰ আশীৰ্বাদ কাঢ়ি লোৱা যায়।




## এটি জৰুৰী জাননী !

অদূৰ ভৱিষ্যতে ইক অফ হিজ কল ডাকযোগে প্ৰেৰণৰ ক্ষেত্ৰত অনিবাৰ্য বিঘিনি ঘটিব পাৰে। যদি আপুনি বিনা বাধাই ইক অফ হিজ কল লাভ কৰিব বিচাৰে তেন্তে তৎক্ষণাত চিঠি, ই-মেইল, ফোনকল বা মেছেজ/বাটচ এপ্ বাৰ্তাৰ জৰিয়তে আমালৈ আপোনাৰ নাম, ঠিকনা, ই-মেইল আৰু বাটচ এপ্ নম্বৰ প্ৰেৰণ কৰক।

আপোনাৰ সমৰ্থনে আমাক আপোনাক ভালদৰে সেৱা আগবঢ়োৱাত সহায় কৰে।

**আমাৰ ঠিকনা ঃ**

**ECHO OF HIS CALL,**
**10, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005, India**
**Cell: (+91) 98412 71858 / 98410 71858 E.mail: sam@echoofhiscall.org**

গতিকে আমাৰ পৰিকল্পনা ঈশ্বৰৰ ওচৰত অৰ্পণ কৰি তেওঁৰ ইচ্ছাৰ লগত মিলাই দিয়াটো বুদ্ধিমানৰ কাম। হিতোপদেশ ১৬:৯ পদে আমাক সোঁৱৰাই দিয়ে ঃ **মানুহৰ মনে নিজ পথৰ বিষয়ে কল্পনা কৰে; কিন্তু যিহোৱাই তাৰ ভৰিৰ খোজ নিৰূপণ কৰে।** আমাৰ ঈশ্বৰ হৈছে আলফা আৰু ওমেগা - তেওঁ অতীত, বৰ্তমান আৰু ভৱিষ্যত জানে। তেওঁ আমাৰ সফলতা আৰু বিফলতা দুয়োটাকে দেখে। যেতিয়া আমি আমাৰ সকলো তেওঁৰ হাতত অৰ্পণ কৰোঁ, তেতিয়া আমি নিশ্চিত হ'ব পাৰোঁ যে তেওঁৰ পৰিকল্পনা সদায় ভাল কাৰণে। তেওঁ আমাক গভীৰভাৱে ভাল পায়। তেওঁ আমাৰ বাবে নিজৰ জীৱন দিলে, পুনৰ পুনৰুত্থান কৰিলে আৰু এতিয়া আমাক তেওঁৰ সাৰ্বভৌমত্বৰ ওপৰত বিশ্বাস কৰিবলৈ আহ্বান জনাইছে।

আমাৰ প্ৰাৰ্থনা এইটোৱেই যে, "**তোমাৰ বাক্যস্বৰূপ পথত মোৰ খোজ থিৰ কৰা আৰু কোনো অধৰ্মক মোৰ ওপৰত অধিকাৰ নিদিবা।**"- গীতমালা ১১৯:১৩৩। মোৰ সকলো যুৱক বন্ধুলৈ মোৰ আহ্বান যে আপোনাৰ যৌৱন কালতেই আপোনাৰ পথ প্ৰভুৰ ওচৰত সমৰ্পণ কৰক। আপুনি কেতিয়াও অনুশোচনা নকৰিব।

## ৪। লোভৰ বিৰুদ্ধে ৰক্ষা কৰক!

উচ্চাকাংক্ষা আৰু লোভৰ মাজত এটা অতি পাতল ৰেখা আছে। উচ্চাকাংক্ষা স্বাস্থ্যকৰ হ'ব পাৰে, কিন্তু লোভ হ'লে ধ্বংসাত্মক। যীচুৱে নিজেই সৰ্তক কৰি দিছিল, "**সকলো লোভৰ পৰা নিজকে ৰাখি, সাৱধানে থাকিবা।**" (লূক ১২:১৫)।

অক্সফৰ্ড অভিধানে লোভক সংজ্ঞায়িত কৰিছে যে, "এজন ব্যক্তিৰ প্ৰয়োজনতকৈ অধিক ধন, সম্পত্তি বা ক্ষমতাৰ অত্যাধিক আকাংক্ষা বা প্ৰয়োজনতকৈ অধিক খাদ্য বা পানীয়ৰ প্ৰতি প্ৰৱল আকাংক্ষা।" শব্দবোৰ লক্ষ্য কৰক। এইবোৰেই লোভক উচ্চাকাংক্ষাৰ পৰা পৃথক কৰে।

বাইবেলে আমাক সন্তুষ্ট হ'বলৈ শিকাইছে, যিটো লোভী হোৱা বা অনবৰতে অধিক বিচৰাৰ একেবাৰে বিপৰীত। **ধনৰ প্ৰেমৰ পৰা নিজৰ জীৱন মুক্ত কৰি ৰাখক আৰু যি আছে তাতেই সন্তুষ্ট হওক, কাৰণ ঈশ্বৰে কৈছে, "মই তোমাক কেতিয়াও নেৰোঁ, কেতিয়াও ত্যাগ নকৰোঁ।** (ইব্ৰী ১৩:৫)।

আমাৰ সন্মুখতে থকা আমি বিচৰা সকলো বস্তুৰ ওপৰত আমাৰ সন্তুষ্টিৰ ভিত্তি হয়। বৰঞ্চ সমগ্ৰ জগতখন আৰু ইয়াৰ সকলো ধন-সম্পত্তি নিজৰ হাতত ধৰি ৰখা ঈশ্বৰক চিনি পোৱাৰ পৰাই ইয়াৰ সৃষ্টি হয়। প্ৰতিটো পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আৰু আমাৰ ভালৰ বাবে সকলো কাম কৰিবলৈ তেওঁৰ ক্ষমতা আছে। তেওঁ আমাক কেতিয়াও এৰি নাযায় বুলি প্ৰতিশ্ৰুতি দিছে। তেওঁ আমাক কেতিয়াও আধা বাটতে পৰিত্যাগ নকৰে। কিন্তু নিষ্ঠাৰে আমাক দেখা পাব - যাতে আমি তেওঁক সম্পূৰ্ণৰূপে বিশ্বাস কৰিব পাৰোঁ।

যদি ঈশ্বৰে তেওঁৰ একমাত্ৰ পুত্ৰক ৰেহাই নিদিলে। কিন্তু আমাক পাপ আৰু অভিশাপৰ বন্ধনৰ পৰা মুক্ত কৰিবলৈ তেওঁক এৰি দিলে, তেন্তে তেওঁ আমাৰ জীৱনৰ প্ৰতিটো প্ৰয়োজনো পূৰণ নকৰিবনে? **যি জনাই নিজৰ পুত্ৰকো মৰম নকৰি আমাৰ আটাইৰে কাৰণে তেওঁক শোধাই দিলে, সেই জনাই আমাক অনুগ্ৰহ কৰি, তেওঁৰে সৈতে সকলো নিদিবনে?** ৰোমীয়া ৮:৩২।

প্ৰিয় ভাই আৰু ভনীসকল, সাহস কৰক ঃ তেওঁ যিহোৱা যিৰি - আমাৰ প্ৰদানকাৰী। তেওঁ মহিমাত থকা তেওঁৰ ধন সম্পত্তি অনুসৰি আমাৰ সকলো প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ সক্ষম। তেওঁক ধৰি ৰাখক, তেওঁক বিশ্বাস কৰক আৰু তেওঁ আপোনাক তেওঁৰ স্বৰ্গীয় প্ৰচুৰতাৰে আশীৰ্বাদ দিব।

আৰু নিজকে ৰক্ষা কৰিবলৈ এটা ডাঙৰ বিপদ হৈছে ধনৰ প্ৰতি প্ৰেম, **কিয়নো ধন-লোভেই সকলো মন্দৰ মূল।** (১ তীমথিয় ৬:৯)। শাস্ত্ৰই আৰু আমাক সোঁৱৰাই দি কয় ঃ যি মানুহে ৰূপ ভাল পায়, তেওঁ ৰূপত তৃপ্ত নহয়, **যি মানুহে অধিক ধন-সম্পত্তি ভাল পায়, সি আয়ত তৃপ্ত নহয় ...** - উপদেশক ৫:১০। ধন-সম্পত্তিৰ ওপৰত নিৰ্ভৰশীল হৃদয় কেতিয়াও প্ৰকৃততে সন্তুষ্ট নহ'ব।

অনুগ্ৰহ কৰি বুজিব - টকা নিজেই সমস্যা নহয়, জীয়াই থাকিবলৈ কঠোৰ পৰিশ্ৰম কৰিবলৈ আৰু পৰিয়ালক পোহপাল দিবলৈ আমাক ধনৰ প্ৰয়োজন। কিন্তু যেতিয়া ধনৰ সন্ধানত আমাৰ আধ্যাত্মিক জীৱন, পৰিয়াল বা ঈশ্বৰৰ ৰাজ্যৰ প্ৰতি আমাৰ দায়বদ্ধতাৰ ক্ষতি হয়, তেতিয়া সেয়া বিপদজনক হৈ পৰে। যদি কোনো কামে আপোনাক ঈশ্বৰৰ সৈতে সময় ত্যাগ কৰিবলৈ দাবী কৰে, সহভাগিতাক অবহেলা কৰায় বা তেওঁৰ সৈতে আপোনাৰ খোজক আপোচ কৰাই তেন্তে তেওঁক প্ৰাৰ্থনাৰে সেই কামটোৰ পুনৰ মূল্যায়ন কৰাৰ সময় আহি পৰিছে।

## ৫। আপোনাক যি গতাই দিয়া হ'ল, তাক ৰক্ষা কৰক!

**হে তীমথিয়, তোমাত গতাই দিয়া, তাক পহৰা দি ৰাখা...** ১ তীমথিয় ৬:২০

ঈশ্বৰে আপোনাক অৰ্পণ কৰা বস্তুবোৰৰ বিষয়ে চিন্তা কৰক। বাহিৰৰ প্ৰভাৱৰ পৰা ৰক্ষা কৰিবলৈ সাৱধান হওক। ই হ'ব পাৰে আপোনাৰ পৰিয়াল, আপোনাৰ কাম, আপোনাৰ বিত্তীয়, আপোনাৰ আহ্বান, আপোনাৰ অভিশেষ বা আপোনাৰ সেৱাই তেওঁলোকক আপোনাৰ জীৱনেৰে ৰক্ষা কৰা।

নিজৰ এটা প্ৰতিভা লুকুৱাই ৰখা দাসৰ দৰে নহওঁক। ঈশ্বৰে ইচ্ছা কৰে যে তেওঁ আমাৰ হাতত যি ৰাখিছে তাক আমি বহুগুণে বৃদ্ধি কৰোঁ। আপোনাৰ যি আছে তাক মূল্যৱান কৰি ৰাখক আৰু নিষ্ঠাৰে ব্যৱহাৰ কৰক। একে সময়তে ঈশ্বৰে আপোনাৰ ওপৰত যি অৰ্পণ কৰিছে তাক আগবঢ়াই দিয়াটোও গুৰুত্বপূৰ্ণ। শাস্ত্ৰৰ পাঠে কয় ঃ ... **অন্য লোককো শিকাবলৈ নিপুণ হোৱা এনে বিশ্বাসী মানুহবিলাকত সমৰ্পন কৰা।** - ২ তীমথিয় ২:২।

প্ৰিয় বন্ধুসকল, আমাক আনক শিকাবলৈ আহ্বান জনোৱা হৈছে যে- ঈশ্বৰে আমাৰ সন্তান, পৰৱৰ্তী প্ৰজন্ম আৰু আমাৰ চৌপাশৰ লোকৰ বাবে কি কৰিছে। তেওঁক মহিমামণ্ডিত কৰি থাকিব পৰা উত্তৰাধিকাৰ এৰি যাওক।

## ৬। ভালদৰে শেষ কৰিবলৈ আৰু পুৰস্কাৰ লাভ কৰিবলৈ আপোনাৰ খোজক ৰক্ষা কৰক!

বহুতে ভালকৈ আৰম্ভ কৰে, কিন্তু বাটত ক'ৰবাত তেওঁলোকৰ মনোযোগ হেৰুৱাই পেলায় শক্তিশালীভাৱে শেষ কৰাৰ চাবিকাঠি হ'ল ধাৰাবাহিকতা। বাইবেল পঢ়াই হওক, প্ৰাৰ্থনা কৰাই হওক, সেৱা কৰাই হওক বা ভাল কাম কৰাই হওক, দিনক দিনে বিশ্বাসী হোৱাটোৱেই গুৰুত্বপূৰ্ণ।

শেহতীয়াকৈ মই এজন যুৱকক লগ পাইছিলো যিয়ে মোক কৈছিল যে তেওঁ খ্ৰীষ্টৰ সৈতে খোজ কঢ়াটো ভাল পায় কিন্তু ভাৱসাম্য

৭ পৃষ্ঠাত চাওঁক

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1999

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

**প্ৰশংসা আৰু প্ৰাৰ্থনাৰ অনুৰোধবোৰ**

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



## ২০২৫ বৰ্ষৰ ১৯ অক্টোবৰৰ পৰা ২০২৫ বৰ্ষৰ ১৮ নৱেম্বৰলৈ

### ✝ ঈশ্বৰক প্ৰশংসা কৰোঁ কাৰণ ...

**১৯ অক্টোবৰ** ঃ বাইবেল আৰু খ্ৰীষ্টিয়ান পত্ৰিকা ছপা কৰা বিশ্বজুৰি জড়িতসকলৰ প্ৰয়োজনীয়তাৰ বাবে।

**২০ অক্টোবৰ** ঃ আমাৰ সহযোগী সম্পাদক আৰু তেওঁলোকৰ সহায়কসকলৰ সুৰক্ষাৰ বাবে।

**২১ অক্টোবৰ** ঃ আমাৰ জ্যেষ্ঠ পালকৰ বৈচিত্ৰ্যপূৰ্ণ পৰিচৰ্যাৰ জৰিয়তে শুভবাৰ্তা প্ৰচাৰ কৰাৰ বাবে।

**২২ অক্টোবৰ** ঃ আমি আন পৰিচৰ্যাকো সমৰ্থন কৰিবলৈ সক্ষম হোৱাৰ বাবে।

**২৩ অক্টোবৰ** ঃ আমাৰ সহযোগী সম্পাদক আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত আশীৰ্বাদৰ বাবে।

**২৪ অক্টোবৰ** ঃ ছেইন্ট পৌলচ্ মেট্ৰিক স্কুলত আমাৰ দেওবাৰৰ বিদ্যালয়ৰ শিশু কাৰ্যসূচীত যোগদান কৰা নতুন ছাত্ৰ-ছাত্ৰীৰ বাবে।

**২৫ অক্টোবৰ** ঃ আমাৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়লজিকেল যোগাযোগ পাঠ্যক্ৰমৰ বৃদ্ধিৰ বাবে।

**২৬ অক্টোবৰ** ঃ আমাৰ সমৰ্থক আৰু তেওঁলোকৰ পৰিচৰ্যাত জড়িত থকাৰ বাবে।

**২৭ অক্টোবৰ** ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাবস্ক্ৰাইবিং অংশীদাৰ, বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ আৰু মহান আজ্ঞা অংশীদাৰ সকলৰ বাবে আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত ঈশ্বৰৰ দয়াৰ বাবে।

**২৮ অক্টোবৰ** ঃ নহিমিয়া বাইবেল কলেজৰ সুচাৰুৰূপে কাম-কাজ নিশ্চিত কৰাৰ বাবে তেওঁৰ দয়াৰ বাবে কৃতজ্ঞতাৰে।

**২৯ অক্টোবৰ** ঃ আমাৰ মূল গীৰ্জাত যুৱ সেৱাৰ বৃদ্ধিৰ বাবে।

**৩০ অক্টোবৰ** ঃ আমাৰ মিছনেৰী আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত আশীৰ্বাদৰ বাবে।

**৩১ অক্টোবৰ** ঃ আমাৰ মূল গীৰ্জাত পুৰুষৰ সভাৰ ওপৰত ঈশ্বৰৰ আশীৰ্বাদৰ বাবে।

**০১ নৱেম্বৰ** ঃ যোৱা মাহত আমাৰ সকলো আৰ্থিক আৰু আধ্যাত্মিক প্ৰয়োজনীয়তা পূৰণৰ বাবে কৃতজ্ঞতাৰে।

**০২ নৱেম্বৰ** ঃ আমাৰ শুভবাৰ্তা ছপাশালৰ নিৰন্তৰ কাৰ্যকলাপ আৰু ইয়াৰ কৰ্মীসকলৰ সমৰ্পণৰ বাবে।

**০৩ নৱেম্বৰ** ঃ আমাৰ সকলো পৰিচৰ্যাত ঈশ্বৰৰ পথ প্ৰদৰ্শনৰ বাবে।

### ✝ অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

**০৪ নৱেম্বৰ** ঃ আমাৰ আৱাসিক আৰু সন্ধিয়া নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ অনুশাসন আৰু নিষ্ঠাৰ বাবে।

**০৫ নৱেম্বৰ** ঃ সকলো জাতিৰ মাজত ঐক্য আৰু শান্তিৰ বাবে।

**০৬ নৱেম্বৰ** ঃ মূল গীৰ্জা আৰু ইয়াৰ শাখাসমূহত তেওঁ আহ্বানৰ প্ৰতিধ্বনিৰ বিশ্বাসী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণৰ বাবে।

**০৭ নৱেম্বৰ** ঃ নিচাজাতীয় দ্ৰব্যৰ ফান্দৰ পৰা শিশু আৰু যুৱক-যুৱতীৰ সুৰক্ষাৰ বাবে।

**০৮ নৱেম্বৰ** ঃ আমাৰ সহযোগী সম্পাদক আৰু তেওঁলোকৰ পৰিয়ালৰ স্বাস্থ্য আৰু সুৰক্ষাৰ বাবে।

**০৯ নৱেম্বৰ** ঃ বিশ্বজুৰি শিশু সৰবৰাহৰ নিৰ্মূলৰ বাবে।

**১০ নৱেম্বৰ** ঃ সকলো খ্ৰীষ্টৰ সেৱাত শক্তিশালী অলৌকিকতা, আশ্চৰ্য্য আৰু চিন প্ৰচুৰতাৰ বাবে।

**১১ নৱেম্বৰ** ঃ আমাৰ অংশীদাৰ, ৰাজ্যিক সমন্বয়ক আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে।

**১২ নৱেম্বৰ** ঃ অৰ্থনৈতিক মন্দাৱস্থাৰ পৰা সকাহ পাবৰ বাবে আৰু বিশ্বক প্ৰভাৱিত কৰাৰ বাবে।

**১৩ নৱেম্বৰ** ঃ পৃথিৱীত তেওঁৰ ৰাজ্য গঢ়ি তোলাৰ বাবে এক কেন্দ্ৰীভূত দৃষ্টিভংগীৰ বাবে।

**১৪ নৱেম্বৰ** ঃ প্ৰান্তীয় আৰু নিপীড়িতৰ সম্প্ৰদায়সমূহৰ অৰ্থনৈতিক উত্থানৰ বাবে।

**১৫ নৱেম্বৰ** ঃ বিশ্বজুৰি মিছনেৰীসকলৰ ওপৰত ঈশ্বৰৰ ঐশ্বৰিক সুৰক্ষাৰ বাবে।

**১৬ নৱেম্বৰ** ঃ প্ৰতিখন দেশত ঈশ্বৰক ভয় কৰা লোকৰ দ্বাৰা নেতৃত্বৰ বাবে।

**১৭ নৱেম্বৰ** ঃ আমাৰ পৰিচৰ্যাৰ সৈতে জড়িত দৰমহা, ছপাৰ সামগ্ৰী, ডাক খৰচ আৰু পৰিবহনকে ধৰি আমাৰ আৰ্থিক প্ৰয়োজনীয়তাৰ বাবে।

**১৮ নৱেম্বৰ** ঃ সকলো বিশ্বাসীসকলৰ হৃদয়ত জ্ঞানদানৰ বাবে।

## সফলকাৰী বঁটা!

আমাৰ সহকৰ্মী- ভনী নাগাজ্যোতি, আই. পি. এছ. মাননীয় ন্যায়াধীশ এগনেছ আৰু ভনী চি মেৰী মেগডেলিনে ২০২৫ চনৰ ২৭ এপ্ৰিলত তেওঁলোকৰ নিজৰ নিজৰ বৃত্তি আৰু পৰিচৰ্যাত তেওঁলোকৰ নিষ্ঠা, কঠোৰ পৰিশ্ৰম আৰু উল্লেখযোগ্য কৃতিত্বৰ স্বীকৃতি স্বৰূপে এই সফলকাৰী বঁটা প্ৰদান কৰা হয়। এই বঁটা প্ৰদান কৰে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাই।

## পৰিচৰ্যাত সন্মানীয় ডক্টৰেট বঁটা!

ডক্টৰেট ইন মিনিষ্ট্ৰী বঁটা প্ৰদান কৰা হয় জ্যেষ্ঠ অধিবক্তা এল বালাজী, ৰেভাঃ মথিছ







জেষ্ঠ অধিবক্তা এন. বালাজী, ৰেভাঃ এম. মাথিজ বিনোথ আৰু ভনী এঞ্জেলীন চেলভাকুমাৰী হেনৰীয়ে পৰিচৰ্যাত ডক্টৰেট লাভ

## বিশেষ অনুষ্ঠান!

বিনোথ আৰু ভনী এঞ্জেলিন চেলভাকুমাৰী হেনৰীয়ে ১০ আগষ্ট, ২০২৫ তাৰিখে এই বঁটাসমূহ তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাৰ জৰিয়তে ঈশ্বৰৰ সেৱাত তেওঁলোকৰ আন্তৰিকতা, বিশ্বাসযোগ্যতা আৰু নিষ্ঠাবান সেৱাক স্বীকৃতি দিয়ে।

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ ৫৭ বছৰীয়া জয়ন্তী!

তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ৫৭ বছৰীয়া জয়ন্তী উপলক্ষে ২০২৫ চনৰ ১০ আগষ্টত আমাৰ কেন্দ্ৰ মণ্ডলীত, ৰেভাৰেণ্ড



বিশেষ বাৰ্তাবাহকসকল ৰেভাৰেণ্ড ড° জে. ডি. চাৰ্লছ আৰু ৰেভাৰেণ্ড ড° ষ্টিফেন দেৱকুমাৰ

ড° ষ্টিফেন দেৱকুমাৰ আৰু ৰেভাৰেণ্ড ড° জে ডি চাৰ্লছ অতিথি বক্তা হিচাপে উপস্থিত থাকে। সমাৰেশবোৰত ঈশ্বৰৰ নামক মহিমামণ্ডিত কৰা হৈছিল।

## শিশুৰ উছৰ্গা !

ভাই মোহন আৰু ভনী ৰাচেলৰ পুত্ৰ যাবেজ জীৱন আৰু ভাই চিমচন আৰু ভনী ইষ্টেৰৰ পুত্ৰৰ বেনেণ্টিকৰ বাবে এটি উছৰ্গা সভাৰ আয়োজন কৰা হয়।



ভাই মোহন আৰু ভনী ৰাচেলৰ পুত্ৰ যাবেজ জীৱন



ভাই চিমচন আৰু ভনী ইষ্টেৰৰ আশীৰ্বাদিত পুত্ৰ

## ডিপ. টি, এইচ. আৰু বি.টি. এইচ. পাঠ্যক্ৰম!

ছাত্ৰ-ছাত্ৰীসকলক ফলপ্ৰসূ সেৱাৰ বাবে সজ্জিত আৰু শক্তিশালী কৰিবলৈ ক্ৰমে চেপাক আৰু সন্তোষাপুৰমৰ নহিমিয়া বাইবেল কলেজত ডিপ্লমা (ডিপ. টি. এইচ) আৰু ধৰ্মতত্বত স্নাতক (বি.টি. এইচ) পাঠ্যক্ৰম উদ্বোধন কৰা হয়।



চেপাকত থকা নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীসকল



সন্তোষাপুৰমত থকা নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীসকল


নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

অৰ্হতা : দশম শ্ৰেণী উত্তীৰ্ণ

Chepauk & Santhoshapuram, Velachery Chennai.

ডিপ্লমা ইন থিয়লজি & Bachelor of Theology

Medium : Tamil (Part Time)
Hindi (Residential) (Sponsorship Available)

নামভৰ্তিৰ বাবে সোনকাল কৰক!

Recognised by
International Christian Leaders &
Senior Pastors for the past 56 years

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## MAIN CHURCH PROGRAMMES

| | | |
|---|---|---|
| 1. | Prayer Service | : 24 hours |
| 2. | **ECHO OF HIS CALL** - Monthly Magazines :English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan. | |
| 3. | **BIBLECOR** - Basic Bible Courses (English, Tamil & Hindi) | |
| 4. | Theological Correspondence Courses: English & Tamil | |
| 5. | Nehemiah Bible Colleges (Chepauk, Santhoshapuram & Velachery) | |
| 6. | Branch Churches: Santhoshapuram, Balaji Nagar & Velachery | |
| 7. | Great Commission Partners (Network of Pastors) | |
| 8. | Training Programmes – Seminars & Retreats | |
| 9. | Crusades | |
| 10. | Literature Distribution and Follow Up | |
| 11. | Gospel Printing Press | - Publications |
| 12. | St. Paul's Matriculation School - Village English High School | |
| 13. | Sunday Schools (Chepauk) | : 10.30 a.m. Sunday & |
| | (Velachery, Balaji Nagar & Santhoshapuram) | 3.00 p.m. Sunday |
| 14. | **Early Morning Service** | **: 5.30 a.m. Sunday** |
| 15. | **Preliminary Service** | **: 8.00 a.m. Sunday** |
| 16. | **Tamil Service** | **: 8.30 a.m. Sunday** |
| 17. | **Youth Meeting** | **: 11.00 a.m. Sunday** |
| 18. | **Fellowship Lunch** | **: 1.00 p.m. Sunday** |
| 19. | **Telugu Service** | **: 4.00 p.m. Sunday** |
| 20. | **Hindi Service** | **: 5.00 p.m. Sunday** |
| 21. | **Tamil & English Service** | **: 6.00 p.m. Sunday** |
| 22. | Feedback Time | : 7.30 p.m. Sunday |
| 23. | Women's Prayer | : 5.30 p.m. Wednesday |
| 24. | Men's Prayer | : 7.30 p.m. Friday |
| 25. | Discipleship Meeting | : 6.00 p.m. Saturday |
| 26. | House Meetings | : 6.30 p.m. Tuesday & Thursday |
| 27. | Special Holy Communion | : 6.00 a.m. 1st day of each month |
| 28. | Ministers' Meeting | : 5.30 p.m. First Saturday |
| 29. | Parents' Prayer | : 4.00 p.m. First Sunday |
| 30. | Night Prayer | : 9.30 p.m. Third Friday |
| 31. | Fasting Prayer | : 9:30 a.m. Second Saturday |
| 32. | Holy Communion | : Second Sunday Service |
| 33. | Youth / Kid Prayer | : 10.00 p.m. daily (over phone) |
| 34. | Staff Devotion | : 9.00 a.m. daily |
| 35. | Office | : 9.00 a.m. to 9.00 p.m. (except Sundays) |

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

বজাই ৰাখিবলৈ সংগ্ৰাম কৰে। কিছুমান দিনত তেওঁ ঈশ্বৰৰ ইমানেই ঘনিষ্ঠ অনুভৱ কৰে যে তেওঁৰ সান্নিধ্যত ঘণ্টাৰ পিছত ঘণ্টা সময় কটায় – বাইবেল পঢ়া প্ৰাৰ্থনা কৰা, উপাসনা কৰা আৰু শুভবাৰ্তাৰ গীত শুনা আৰু বাৰ্তাসমূহ। তথাপিও আন দিনত তেওঁৰ মেজাজ ইমানেই কম যে তেওঁ বাইবেলখন খুলিবলৈ বা ভাবিবলৈও প্ৰায়েই নিবিচাৰে। এই সংগ্ৰাম কেনেকৈ চম্ভালিব লাগে বুলি তেওঁ মোক সুধিলে।

হয়তো আপোনালোকৰ মাজৰ কিছুমানেও একে অনুভৱ কৰে। মই তেওঁক কলো ঃ এইটো এটা কান্দ আৰু আপুনি ইয়াত থকাটো উচিত নহ'ব। ইয়াৰ একমাত্ৰ উপায় হ'ল ইচ্ছাকৃতভাৱে আগবাঢ়ি যোৱা, বিশ্বাসী হৈ থকা আৰু আপুনি যিয়েই অনুভৱ নকৰক কিয় আগবাঢ়ি যোৱা।

কেতিয়াবা, আপুনি ইচ্ছাকৃতভাৱে কাম কৰিব লাগিব - আপোনাৰ ইচ্ছা হোৱাৰ বাবে নহয়, কিন্তু প্ৰয়োজনীয় হোৱাৰ বাবে। কেতিয়াবা এনে লাগিব পাৰে যেন আমি কেৱল অভিনয়হে কৰিছো, কিন্তু বাস্তৱত আমি অনুশীলন কৰি আছো। কিন্তু সামঞ্জস্যৰ বাবে অনুশীলন ইচ্ছাকৃত হ'ব লাগিব; অন্যথা আমি নিৰ্দিষ্ট স্থান হেৰুৱাম।

সেইবাবেই বাইবেলে আমাক শিকাইছে যে আমি যিয়েই আৰম্ভ কৰো, আমি সম্পূৰ্ণ কৰিব লাগিব কাৰণ তেতিয়াহে আমি আমাৰ প্ৰচেষ্টাৰ পুৰস্কাৰ লাভ কৰিব পাৰিম। আমি ইমান কষ্ট কৰি

*৯ পৃষ্ঠাত চাওঁক*

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## TAX EXEMPTION

Donations by any individual or organization from India to **Echo of His Call Educational Trust** are eligible for Income Tax exemption under Section 80G of the Income Tax Act. Official receipts will be issued for this purpose. Please make your Demand Drafts / Cheques / M.O. for such donations in favour of **Echo of His Call Educational Trust** and send to us, along with your Aadhar Number and PAN for getting Income Tax Exemption.

| | |
|---|---|
| **Account Name** | : **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : **1023 2923 805** |
| **Bank Name** | : **STATE BANK OF INDIA** |
| **Branch** | : **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : **SBIN 0000249** |
| **SWIFT Code** | : **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
# PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

## দুৰ্বলৰ প্ৰাৰ্থনাৰ উত্তৰ ঈশ্বৰে দিয়ে!



১০/৮/১৯৬৯ চনৰ পৰা ঈশ্বৰৰ অনুগ্ৰহত মই মোৰ শুভবাৰ্তাৰ সেৱা আৰম্ভ কৰিলোঁ, সেৱাৰ প্ৰশিক্ষণ, পত্ৰিকা বিতৰণ, প্ৰাৰ্থনা সভাসমূহৰ নেতৃত্ব দিয়া আৰু গীৰ্জাত বাক্য প্ৰচাৰ কৰা।

মোক ঈশ্বৰৰ দাস বুলি প্ৰায় কোনোৱেই চিনি নাপালে, কাৰণ মই সৰু আছিলোঁ আৰু ক্ষেত্ৰখনত নতুন আছিলোঁ। তদুপৰি ধনৰ অভাৱত মোৰ বাবে সেৱা আগবঢ়াই নিবলৈ এক ডাঙৰ বাধা আছিল। ফলস্বৰূপে মই প্ৰতিদিনে বহু মাইল খোজ কাঢ়ি মোৰ সেৱা আগবঢ়াই নিবলগীয়া হৈছিল। সেয়েহে দীঘলীয়া খোজ কঢ়া আৰু অনাহাৰে মোৰ পৰিচৰ্যাৰ এটা অংশ আছিল। পৰিচৰ্যা কৰিবলৈ আৰু পৰিচৰ্যাৰ বাবে সঁজুলি কিনিবলৈ ধনৰ সাহাৰ্য্যৰ বিপুল প্ৰয়োজন আছিল।

মোৰ সেৱাৰ আৰম্ভণিৰে পৰাই মোৰ এটি অতি দৃঢ় বিশ্বাস আছিল যে মোৰ কোনো বন্ধু আৰু আত্মীয়ৰ পৰা কোনো ধৰণৰ সমৰ্থনৰ বাবে আবেদন নকৰো। কাৰণ ঈশ্বৰে মোক যিদৰে মাতিছে তেনেদৰে নিজৰ কামৰ যোগান ধৰিব লাগিব। আজিলৈকে এই নীতিত অটল থাকিবলৈ ঈশ্বৰে মোক সহায় কৰিছে। এই নীতি অনুসৰণ কৰি মোৰ অবৰ্ণনীয় কষ্ট আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল।



মই মানসিক আৰু শাৰীৰিকভাৱে ইমানেই প্ৰভাৱিত হৈছিলো যে কোনো এটা বিশেষ পৰিস্থিতিত মেনেজ কৰিব নোৱাৰিলোঁ। মোৰ এজন আত্মীয় স্বৰ্ণৰাজ ডাঙৰীয়াই, মোক পৰিবহণ বিভাগত চৰকাৰী চাকৰি এটা দিবলৈ চেষ্টা কৰিছিল। ঈশ্বৰৰ এজন দাস ভাই কলিঙ্গ এট পালাপালাম, মেথিকোড আৰু মোৰ এজন বন্ধুৱে মোক ব্যক্তিগত প্ৰতিষ্ঠান এটাত চাকৰি দিবলৈ চেষ্টা কৰিছিল; দুয়োৰে প্ৰচেষ্টা অসাৰ হৈ পৰিল, এই পৰিস্থিতিত ১৭/৫/১৯৭১ তাৰিখে উপবাস কৰি থকাৰ সময়ত প্ৰভুৰ আত্মাই মোক স্থায়ী চাকৰিৰ বাবে প্ৰাৰ্থনা কৰিবলৈ প্ৰচণ্ড ভাৱে নেতৃত্ব দিলে। প্ৰাৰ্থনাৰ ফলত "এমাহৰ ভিতৰত মই তোমাক এটা স্থায়ী চাকৰি দিম আৰু তুমি সেইটো লৈ জীয়াই থাকিব পাৰিবা" এই কথাষাৰে মোক দৃঢ় প্ৰত্যয় লাভ কৰিলোঁ। শাস্ত্ৰ অনুসৰি এতিয়া তেওঁৰ ওপৰত আমাৰ যি আস্থা আছে, **আমি যদি তেওঁৰ ইচ্ছা অনুসৰি কিবা বিচাৰোঁ, তেন্তে তেওঁ আমাৰ কথা শুনিব। আৰু যদি আমি জানো যে তেওঁ আমাৰ কথা শুনিছে, আমি যি বিচাৰোঁ, আমি জানো যে আমি তেওঁৰ পৰা বিচৰা আবেদনবোৰ আমাৰ আছে।** ১ যোহন ৫:১৪, ১৫ মই এটা নতুন চাকৰি পাইছো বুলি বিশ্বাস কৰি, মই সেই কামত যোগদান কৰিবলৈ সকলো ধৰণৰ প্ৰস্তুতি চলাইছিলোঁ। মোৰ কাৰ্যকলাপ দেখি বহুতে মোৰ মানসিকতাক লৈ সন্দেহ কৰিবলৈ ধৰিলে। কিন্তু তেওঁলোকৰ কথা চিন্তা নকৰি ঈশ্বৰক মই সম্পূৰ্ণৰূপে বিশ্বাস কৰিছিলোঁ।

দিনবোৰ পাৰ হৈ যোৱাৰ লগে লগে প্ৰতিদিনে পোষ্ট মেনজনলৈ আগ্ৰহেৰে আশা কৰি আছিলো। গোটেই এমাহ পাৰ হোৱাৰ পিছত ঠিক





১৮/৬/১৯৭১ তাৰিখে মই ১ প্ৰভুৰ ওপৰত বিশ্বাস কৰি ডাকঘৰলৈ গৈছিল। পোষ্ট মেন মিষ্টাৰ নেল্লাইয়াপ্পানে মোক দেখাৰ লগে লগে মোৰ বাবে একো নাই বুলি ইংগিত দিলে। তথাপিও ঈশ্বৰৰ প্ৰতিজ্ঞাত আঁঠু লৈ মই নিজেই বহি প্ৰাৰ্থনা কৰি আছিলো। মোৰ বৰ আচৰিত হৈ কেইমিনিটমানৰ ভিতৰত সেই ডাকঘৰৰ মানুহজনে ক'লে, "ছেম, আপুনি এটা পঞ্জীয়নভুক্ত পোষ্ট পাইছে, চহী কৰি সংগ্ৰহ কৰক।"

চিঠিখন খুলিয়েই গম পালোঁ যে সেইখন তামিলনাডু লোকসেৱা আয়োগৰ কাৰ্যালয়, চেন্নাইৰ পৰা শ্ৰম বিয়োগত যোগদানৰ নিযুক্তি পত্ৰ। কিছু বছৰৰ আগতে লিখা মোৰ পৰীক্ষাৰ ফলাফল আছিল। এইটো আছিল





১৯৪৯ চনত মোৰ চৰকাৰী চাকৰি এৰাৰ সময়ত মুখ্য কাৰখানাসমূহৰ পৰিদৰ্শক মহোদয় এ. শ্বেনবাগাম বি.এ. আৰু মোৰ সহকৰ্মীসকলৰ বিদায়



১৯৪৯ চনত মোৰ সহকৰ্মীসকল যেতিয়া মই চৰকাৰী চাকৰি এৰিছিলো

মোৰ নিৰন্তৰ প্ৰাৰ্থনাই খৰখেদা কৰি এটা আলৌকিকতা ঘটিল। হয়, প্ৰাৰ্থনা এক আচৰিত আধ্যাত্মিক অস্ত্ৰ।

মই আনন্দত চেন্নাইলৈ আহি চাকৰিটোত যোগদান কৰিলোঁ। চাকৰিৰ পৰা পোৱা দৰমহাৰ ডাঙৰ অংশ মোৰ পৰিচৰ্যাত বিনিয়োগ কৰা হৈছিল। ঈশ্বৰৰ অনুগ্ৰহত আৰু মানুহৰ প্ৰতি অনুগ্ৰহৰ ওপৰত ভিত্তি কৰি চৰকাৰে চৰকাৰী সেৱাৰ লগতে মোৰ সেৱা আগবঢ়াই নিবলৈ বিশেষ অনুমতি প্ৰদান কৰিলে। পিছলৈ ১৯৯৪ চনত প্ৰভুৱে মোক চৰকাৰী চাকৰি এৰি পূৰ্ণকালীন সেৱাৰ বাবে আদেশ দিলে আৰু মই তেওঁৰ আহ্বান মানি পূৰ্ণকালীন সেৱাত যোগদান কৰিলোঁ।

আমাৰ ঈশ্বৰ ভাল ! তেওঁ সময়মতে কাম কৰে ! তেওঁৰ ওপৰত দৃঢ়তাৰে আকোঁৱালি লোৱা!! আপুনি সফলতা লাভ কৰিব!!! আজি তেওঁ তোমাক তীক্ষ্ণ দৃষ্টিৰে চাই আছে।

**তুমি তেওঁক নিখুঁত শান্তিত ৰাখিবা, যাৰ মন তোমাৰ ওপৰত থাকে, কাৰণ তেওঁ তোমাৰ ওপৰত ভৰসা কৰে।** যিচয়া ২৬:৩ পদ।

*************

৭ ম পৃষ্ঠাৰ পৰা

যিখিনি লাভ কৰিছো সেয়া যাতে আপুনি হেৰুৱাব নালাগে তাৰ প্ৰতি লক্ষ্য ৰাখিব। অধ্যৱসায়ী হওক যাতে আপুনি আপোনাৰ সম্পূৰ্ণ **পুৰস্কাৰ লাভ কৰে।** — যোহন ১:৮।

প্ৰভুৱে আমাক নিষ্ঠাৰে দৌৰ দৌৰিবলৈ শক্তিশালী কৰক। তেওঁ আমাক যি কাম শেষ কৰিবলৈ আহ্বান কৰিছে, আমাক সক্ষম কৰিব, যাতে তেওঁ তুৰী লৈ উভতি অহাৰ সময়ত আমি আমাৰ পুৰস্কাৰ লাভ কৰিব পাৰো!

## ৭। ঈশ্বৰৰ বাক্যৰ বিৰোধিতা কৰাসকলৰ বিৰুদ্ধে সাৱধান হওক !

শেষত, শাস্ত্ৰই আমাক শিকাইছে যে ঈশ্বৰৰ ৰাজ্যক প্ৰতিহত কৰাসকলৰ পৰা নিজকে ৰক্ষা কৰিবলৈ। পৌলে তীমথিয়ক সতৰ্ক কৰি দিছেঃ **তুমি তেওঁৰ বিৰুদ্ধে সাৱধান হোৱা উচিত, কিয়নো তেওঁ আমাৰ বাৰ্তাৰ তীব্ৰ বিৰোধিতা কৰিছিল।** ২ তীমথিয় ৪:১৫।

কাৰণ বাইবেলে আমাক সকলোকে প্ৰেম কৰিবলৈ শিকাইছে - **যদি হ'ব পাৰে, তেন্তে তোমালোকৰ সাধ্য অনুসাৰে সকলো মানুহে সৈতে মিলেৰে থাকিবা।** ৰোমীয়া ১২:১৮, আমি হয়তো শেষত উপাসনা আৰু সমাজত দুয়োটাতে, খ্ৰীষ্টৰ শৰীৰৰ ঐক্যক ক্ষতিগ্ৰস্থ কৰা সকলক সহ্য কৰিম। তথাপিও ইয়াত আমি দেখিবলৈ পাওঁ যে পৌলে কেনেকৈ দৃঢ়ভাৱে ঈশ্বৰৰ বাক্য আৰু কাৰ্য্যৰ বিৰুদ্ধে কাৰ্য্য কৰাজনক সতৰ্ক কৰি দিছে।

তদুপৰি তেওঁ আমাক নিজকে ৰক্ষা কৰিবলৈ, সজাগ হৈ থাকিবলৈ শিকাইছে। এই শেষ দিনবোৰত, বাইবেলে ইতিমধ্যে আমাক সতৰ্ক কৰি দিয়াৰ দৰে সত্য ঘোষণা কৰাতকৈ মানুহৰ মন আৰু ইচ্ছাক সন্তুষ্ট কৰিবলৈ বহুতো শিক্ষা দাঙি ধৰা হৈছে। প্ৰচাৰকসকলে প্ৰায়ে নিজৰ মণ্ডলীক "আপত্তি" কৰাৰ ভয়ত সত্য কোৱাৰ পৰা বিৰত থাকে। ফলত প্ৰতিটো স্তৰতে আপোচ কৰা দেখা যায়।

মই প্ৰায়ে পিতৰৰ সাহস দেখি আচৰিত হওঁ, যেতিয়া তেওঁ ঘোষণা কৰিছিল, **আমি মানুহতকৈ ঈশ্বৰৰ আজ্ঞা পালন কৰিব লাগে।** - পাঁচনিৰ কৰ্ম ৫:১৯। প্ৰশ্ন হয় ঃ আজিৰ তাৰিখত কিমানজন নেতা আৰু বিশ্বাসীসকলে এনে মন্তব্য দিবলৈ ইচ্ছুক? সকলো বিপদৰ বিৰুদ্ধে থিয় দিবলৈ আমাৰ সাহস আছেনে? আমি সাহসেৰে ক'ব পাৰোনে "এই ব্যক্তিজনক বা এই সিদ্ধান্ত গ্ৰহণ নকৰো কাৰণ ই ঈশ্বৰৰ বাক্যৰ বিৰোধী"?

এইপ্ৰসংগতেই ঈশ্বৰে আমাক এই শেষ দিনবোৰত নিজকে ৰক্ষা কৰিবলৈ আহ্বান জনাইছে।

প্ৰিয় বন্ধুসকল, আমি সাতোটা ক্ষেত্ৰৰ বিষয়ে চিন্তা কৰিছো য'ত বাইবেলে আমাক জীৱন ৰক্ষা কৰিবলৈ নিৰ্দেশ দিছে। মোৰ প্ৰাৰ্থনা হৈছে যে ঈশ্বৰে আমাক নিজকে ৰক্ষা কৰিবলৈ আৰু তেওঁৰ বাক্যৰ ওপৰত দৃঢ়তাৰে থিয় দিবলৈ জ্ঞান আৰু সাহস প্ৰদান কৰক - কাৰণ তেওঁৰ আগমন অতি ওচৰ চাপিছে।

ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰক!

*************

**NOTICE**

Save our mobile numbers (+91) 98410 71858, (+91) 98412 71858 (main numbers) in your mobile phones.

- Editor

Posted at "Egmore RMS Patrika Channel" RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা    জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps **(Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.)** to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.org

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/24-26**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS Patrika Channel"**
**on 13th OCTOBER 2025**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**